# ভাৰত-স্পেইন বিদেশমন্ত্ৰনালয়ৰ তৃতীয় পৰ্যায়ৰ পৰামৰ্শমুলক বৈঠক

২ মাৰ্চ ২০১৫

২ মাৰ্চ ২০১৫ তাৰিখে নতুন দিল্লীত ভাৰত আৰু স্পেইনৰ মাজত বিদেশ মন্ত্ৰনালয়ৰ তৃতীয় পৰ্যায়ৰ পৰামৰ্শমুলক বৈঠক অনুষ্ঠিত হয় । ভাৰতীয় প্ৰতিনিধি দলৰ নেতৃত্ব দিয়ে বিদেশ মন্ত্ৰনালয়ৰ সচিব

বিদেশ মন্ত্ৰনালয়ৰ সচিব(পূৱ) শ্ৰী নৱজেট সাৰনা আৰু স্পেইনৰ বিদেশ মন্ত্ৰনালয়ৰ চেক্ৰেটেৰি অৱ ষ্টেট মি: ইগানচিও ওয়াইবানেজে স্পেইনৰ প্ৰতিনিধি দলৰ নেতৃত্ব দিয়ে ।

দ্বিপাক্ষীক বিষয় সম্বন্ধিত প্ৰসংগ সমুহকে সামৰি আঞ্চলিক আৰু আৰ্ন্তজাতিক গুৰুত্বপূৰ্ণ বিষয় সমুহ বৈঠকত আলোচিত হয় ।বৈঠকত দুয়োপক্ষৰ মাজত থকা দ্বিপাক্ষীক চুক্তি সমুহৰ পৰ্যালোচনা কৰা হয় আৰু উভয়পক্ষৰ মাজত বিচাৰধীন হৈ থকা চুক্তি সমুহৰ বিষয়ে বৈঠকত আলোচনা কৰা হয় । । ফেব্ৰুৱাৰী মাহৰ প্ৰথম সপ্তাহত স্পেইনৰ বানিজ্য বিভাগৰ চেক্ৰিটেৰি অৱ ষ্টেট গৰাকীৰ ভাৰত ভ্ৰমণ ,বিদেশ মন্ত্ৰনালয়ৰ মাজত পৰামৰ্শমুলক বৈঠক আৰু স্পেইনৰ প্ৰতিৰক্ষা সচিব গৰাকীৰ আগুন্তুক সপ্তাহত হবলগীয়া ভ্ৰমণ আৰু ২০১৫ বৰ্ষৰ এপ্ৰিলত বিদেশমন্ত্ৰীৰ ভ্ৰমণৰ লগতে পৰস্পৰে পৰস্পৰ দেশৰ মাজত সক্ৰিয় দ্বিপাক্ষীক কাৰ্য্যক্ৰমনিকাৰ বৃদ্ধি সম্বন্ধে বৈঠকত সিদ্ধান্ত গ্ৰহন কৰা হয় ।

উচ্চপৰ্যায়ৰ ভ্ৰমণ বিনিময়,সাংস্কৃতিক কৰ্মসূচী,ব্যৱসায়ি দলৰ ভ্ৰমণ বিনিময়ে সংগঠিত কৰিছে ২০১৬ চনৰ ভাৰত আৰু স্পেইনৰ মাজত সংঘটিত কূটনৈতিক সম্পৰ্কৰ ষাঠি বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে বৰ্ষপূৰ্তি পালন কৰাকে ধৰি উভয়পক্ষই দ্বিপাক্ষীক সহযোগিতাৰ উন্নতি কৰাৰ বাবে ঐক্যমত গ্ৰহন কৰে ।

নতুন দিল্লী

২ মাৰ্চ ২০১৫